# NEWS LETTER

VOL.4 (2018-19)


# DULIAJAN COLLEGE LIBRARY







## From Principal's Desk :



*It is my pleasure to know that Duliajan college library is going to publish its 2018-19 issue of News Letter. In the very beginning I would like to forward the following message.*

*The draft of National Education Policy 2019 has been submitted by the expert committee chaired by Dr. K. Kastoriragan on May 2019. The draft report provides a massive reform in the education system from school to higher level, from early childhood care to adult education. More important thing is that the draft report extends the right to education (RTE) to all children from early childhood to secondary level which was previously limited to a small period from the age of six to fourteen years. Now the suggested education pattern is 5-3-3-4. First five years is foundation stage, next three years is preparatory stage, after that from classes six to eight (three years) is middle stage and last four years nine to twelve classes is the secondary stage. The committee recommends to reduce curriculum content and emphasises on a holistic discussion based and analysis based learning. Apart from recommendation to reform examination system the committee recommends a semi-autonomous school complex comprising a secondary school (from class Nine to Twelve) with all the public schools in its neighborhood that offers preprimary to class eight. School complex will also include anganwadies, vocational and adult education centers. The committee also gives importance on teachers training and school regulatory system. The existing B. Ed programme will be replaced by four yeas integrated B. Ed programme. It also suggests an independent state school regulatory authority. In Higher education the committee has observed that gross enrollment ratio (GER) was 20% in 2011-12, now the same is raised to 25% in 2017-18. It now aims to make 50% by 2035. Apart from other regulatory and accreditation system the committee has given importance on vocational education which is only 5% of GER instead of 52% in USA, 75% in Germany and 96% in South Korea. The committee recommends Compulsory integrating Vocational educational programme in all educational institutions (Schools, Colleges and Universities) in phase manner over a period of 10 years. The committee also suggests that at least one vocational course should be offered in school level and a compulsory integrated vocational curriculum in higher education which is a national policy on Skill Development and Entrepreneurship*

*I would like to extend my thanks to Mrs. Mondira Chutia, librarian, Duliajan College who is sincerely and regularly focusing on the activities of our library for the students, I wish her grand success in her endeavour.*




**Adviser**

*Mr. Jyoti Prashad Chetia*

**President**

*Dr. Likhon Ch. Bora*

**Editor**

*Mrs. Mondira Chutia*

**Members**

*Mrs. Jyotimali Mahanta*
*Dr. Hemanta Das*
*Sri Parag Saikia*

# গ্ৰন্থাগাৰিকৰ একলম

"মানুহৰ জীৱনত আটাইতকৈ মূল্যৱান বস্তু কি ? আজিৰ দিনটো।" - গ্যেটে



অতীত, বৰ্তমান আৰু ভৱিষ্যত এই তিনিওটা সময়ৰ ঘটনাৰাজিয়ে মানুহৰ মনত অহৰহ ক্ৰিয়া কৰি থাকে। জীৱনত অতীতত কি ঘটিলে, বৰ্তমান কি ঘটি আছে আৰু ভৱিষ্যতেবা কি ঘটিব পাৰে তাকে লৈ মানুহৰ চিন্তাৰ অন্ত নাই। অতীত আৰু ভৱিষ্যতৰ চিন্তা কৰি থাকোতে মানুহৰ কেতিয়াবা বৰ্তমানৰ আজিৰ দিনটো অবাবতে পাৰ হৈ যায়। এইটোৱে হৈছে আমি জীৱনত কৰা আটাইতকৈ ডাঙৰ ভুল। কিয়নো অতীতত ঘটা ঘটনাবোৰ আজিৰ দিনটোত সলনি কৰিব নোৱাৰি কিন্তু তাৰপৰা প্ৰয়োজনীয় শিক্ষা লৈ আজিৰ দিনটো কৰ্মময়, সুখময় আৰু অতি মূল্যৱান কৰি তুলিব পাৰি। একেদৰে ভৱিষ্যতৰ কালিলৈৰ দিনটো আমাৰ বাবে অনিশ্চিত। গতিকে কালিলৈ দিনটোৰ কথা বেছিকৈ ভাবিও লাভ নাই। তেন্তে আমাৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ দিনটো হৈছে আজিৰ দিনটো যিটো আমাৰ হাতত আৰু নিজৰ নিয়ন্ত্ৰণত। আজিৰ দিনটোৰ সদ্ব্যৱহাৰৰ দ্বাৰা নিশ্চিতভাৱে আগবাঢ়িব পাৰো ভৱিষ্যতৰ ফালে, যাতে আহি থকা দিনবোৰত সন্মুখীন হ'ব লগা যিকোনো পৰিৱেশ পৰিস্থিতিতে সাহসেৰে থিয় দিব পাৰো। কাইলৈৰ বাবে কোনো কাম পেলাই নথৈ আজিৰ দিনটোৰ কাৰণে কাৰ্যসূচী হাতত লৈ আজিৰ দিনটোতে শেষ কৰা উচিত। মুঠতে যিবোৰ কাম কৰাটো নিতান্তই প্ৰয়োজন তাক আজিয়ে সমাধা কৰিব লাগিব আৰু কেতিয়াও নকৰো বুলি ভবা বেয়া কামবোৰ আজিৰ পৰাই বাদ দিব লাগিব।

গতিকে, অতীত আৰু ভৱিষ্যতৰ চিন্তাবোৰ বাদ দি আজিৰ দিনটো সম্পূৰ্ণভাৱে উপভোগ কৰাটোৱে হ'ব জ্ঞানীৰ কাম নহয়জানো ? মৰমৰ ছাত্ৰ-ছাত্ৰীসকল সকলো এলাহ, ভাগৰ কাতি কৰি আজিৰ দিনটোৰ আঁচনি প্ৰস্তুত কৰি কৰিবলগীয়া কামবোৰ আজিৰ দিনটোতে কৰি যাওঁ আহাচোন।

"অতীততো নাথাকিবা, ভৱিষ্যতকো থিয়াই নাথাকিবা, প্ৰতিদিনৰ কৰণীয় কৰ্মতে তোমাৰ সমগ্ৰ আগ্ৰহ, শক্তি আৰু উদ্যম নিয়োজিত কৰিবা। কালিলৈৰ বাবে উত্তম প্ৰস্তুতিটো হ'ল আজিৰ কামটো সুসম্পন্ন কৰাটো।" – চাৰ উইলিয়াম ওচলাৰ।

## IMPORTANT DAYS IN JANUARY

January 01 : Global Family Day.
January 01 : Army Medical Corps Establishment Day
**January 04 : World Braille Day**
January 06 : World Day of War Orphan's
**January 09: NRI Day (Pravasi Bhartiya Divas)**
**January 10: World Hindi Day**
**January 12: National Youth Day (Birthday of Swami Vivekananda).**
**January 15: Army Day.**
January 16: National Religious Freedom Day
January 19: National Disaster Response Force Raising Day.
**January 23: Netaji Subhash Chandra Bose Birthday (Desh Prem Divas)**
**January 24: National Girl Child Day**
**January 25: National Tourism Day**
**January 25: National Voters Day**
**January 26: India's Republic Day**
January 26: International Customers Day.
**January 28: Lala Lajpat Rai Birthday**
January 28: Data Protection Day
**Last Sunday of Jan: World Leprosy Eradication Day**
**January 30: Martyr's Day**

Reference :(pratiyogitaabhiyan.in)

"এটা জাতিৰ সমূহীয়া শিক্ষা কিতাপৰ ওপৰত নিৰ্ভৰ কৰে। চিন্তাৰ সংৰক্ষণ, স্থায়ীকৰণ আৰু সঞ্চাৰণৰ বাবে কিতাপেই হৈছে একমাত্ৰ মাধ্যম।"

- ৰোজৰ্ছ

## Different Activities of the Library in the year 2018-2019

### BOOK FAIR



Book fair is a display or exhibit of books typically by a group of publishers or book dealers for promoting sales and stimulating interest for promoting the reading habit among people of all age groups. Apart from promoting literacy and reading habit the fair presents a vast panaroma of books on wide range of subjects in one place. To considering all these things, Duliajan College Library organises a book fair in every academic year so that our students, teachers and other book lovers can look at before they decide to buy and purchase books according to their needs.

### LIBRARY ORIENTATION PROGRAMME TO NEW COMERS



Orientation programme is "Primarily concerned with ways of introducing the user to the general techniques of library uses and services available and the organisation layout and facilities of a particular library."

Our college library organises an Orientation course to educate and to grow consciousness among the newly joined students about library services in every new session.

### CELEBRATION OF LIBRARIAN'S DAY



August 12th is celebrated as National Librarian's Day in India, in the remembrance of National Professor of Library Science, Dr. S. R. Ranganathan (1892-1972), who had spear-headed library development in India.

Duliajan College library had also celebrated August 12, 2018 as Librarian's day in his honour.

The programme was started with the lighting of the lamp by the Principal of Duliajan College, Sri Jyoti Prasad Chetia and this was followed by some other members of the institution. Other agenda of the day was discuss on different activities of Dr. S.R. Ranganathan in the field of Library Science in India.

কিতাপেই মানুহৰ সৰ্বোত্তম বন্ধু। সেই কথা আজিও সত্য, চিৰকালেই সত্য।

- মাৰ্টিন টুপাৰ

# কিতাপ পঢ়োঁ আহা ঃ গ্ৰন্থ অধ্যয়নৰ ওপৰত সজাগতামূলক বক্তৃতানুষ্ঠান।




প্ৰাথমিক বিদ্যালয় পৰ্য্যায়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ উদ্দেশ্য আগত ৰাখি দুলীয়াজান মহাবিদ্যালয় গ্ৰন্থাগাৰ বিভাগে এই বছৰৰ পৰা দুলীয়াজান আৰু ইয়াৰ ওচৰে-পাজৰে থকা বিদ্যালয়সমূহত "কিতাপ পঢ়োঁ আহা" শ্লোগানেৰে পঢ়ুৱৈ সজাগতা সভাৰ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উদ্দেশ্যে প্ৰথমখন সভা বিবেকানন্দ স্মৃতি প্ৰাথমিক বিদ্যালয়, টিপলিং, নলনীপথাৰত ০৬/১০/২০১৮ তাৰিখে অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত দুলীয়াজান মহাবিদ্যালয় গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিকা শ্ৰীমতী মন্দিৰা চুতীয়াই দুটিমান উপদেশমূলক সাধুকথাৰে ছাত্ৰ-ছাত্ৰীসকলক কিতাপ কিয় পঢ়িব লাগে আৰু ইয়াৰপৰা কি উপকাৰ হয় এই বিষয়ে এটি শিক্ষামূলক বক্তৃতা প্ৰদান কৰে। ইয়াৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰি তাৎক্ষণিকভাৱে উত্তৰ দিয়া ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ তেওঁলোকৰ মাজত গীত-মাত গোৱাই অনুষ্ঠানটি আকৰ্ষণীয় কৰি তোলা হয়। শেষত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ হাতত গ্ৰন্থাগাৰৰ ফালৰ পৰা ৩১ খন শিশু উপযোগী গ্ৰন্থ উপহাৰ দিয়া হয়। অনুষ্ঠানটিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক সকলো উপস্থিত থাকি আমাক উৎসাহিত কৰিছিল। মহাবিদ্যালয়ৰ ফালৰপৰা গ্ৰন্থাগাৰিকৰ উপৰিও শ্ৰীযুত দীপ হাজৰিকা (কাৰ্যালয় তত্বাৱধায়ক) দুলীয়াজান মহাবিদ্যালয়, শ্ৰীমতী দীপা গোহাঁই (গ্ৰন্থাগাৰ পৰিচাৰক) উপস্থিত আছিল।



## DONATION PAGE

We are very pleased and thankful to you as your great effort to enrich our library and encourage us to move forward.


1. Mr. Satirtha Gyanyatra
   Guwahati
   (Reference book 7 nos)



2. Mr. Sumit Bhadra
   Canara Bank
   Duliajan Branch
   (Novel I no)




3. Mr. Pabitra Bharali
   Digboi College
   Digboi
   (Smritigranth I no)



4. Dr. Hemanta Das
   Associate Prof.
   Deptt. of Sociology
   Duliajan College
   (Text book I no)




5. Mr. Dhruba Hazarika
   Assistant Professor
   Deptt. of Sociology
   (Text book I no)




6. Mr. Rajen Gogoi
   Ex. student
   Duliajan College
   (Ref. book 2 nos)






7. Mr. Manoj Kumar Dutta
   Teacher
   Bordubi Junior College
   (Smritigranth I no)




# Book Reviews :

## 1. THE ORIGINS OF EVERYDAY THINGS

*Our ancestors, who walked the planet 2 million years ago, used this unique attribute to shape, change and control their surroundings first by making simple tools, then by using them to make other implements. So the foundations of our everyday world were laid and were built on in successive centuries as people settled down and learned how to organise their lives.*

*The Origins of Everyday things tells the fascinating, entertaining and often extraordinary stories behind the objects all around us. In each of the thousand and more themes included here the light of past achievements illuminates our present existence.*

*Contents of the book are as follows :*




- *How it all Began*
- *House and Home*
- *Manners and Customs*
- *Food and Drink*
- *Fashion and Beauty*
- *Design for living*
- *Moving About*
- *Living Together*
- *The written and spoken word*
- *Leisure and sport*
- *Sickness and Health*
- *Words and Phrases*

*The book was edited designed and published by the Reader's Digest Association Limited, London.*

## 2. আধুনিক অসমীয়া বিশ্বকোষ (১ম খণ্ড)




শ্ৰীসূৰ্য্য হাজৰিকাদেৱৰ সম্পাদনাৰে ১৯৯৪ চনত বাণী মন্দিৰে প্ৰকাশ কৰি উলিওৱা আধুনিক অসমীয়া বিশ্বকোষৰ ১ম খণ্ডটিত সাতোটা বিষয় সন্নিৱিষ্ট কৰা হৈছে।

প্ৰথম খণ্ডৰ প্ৰথম অধ্যায়ত অধ্যাপক দীনেশ বৈশ্যই 'পৃথিৱী আৰু আমাৰ সভ্যতা' শীৰ্ষৰে বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ সময়ৰ পৰা সাম্প্ৰতিক কাললৈকে ভৌতিক আৰু জৈৱিক ক্ৰমবিকাশৰ প্ৰক্ৰিয়াটো প্ৰাঞ্জল ভাষাৰে দাঙি ধৰিছে।

দ্বিতীয় অধ্যায়ত আমাৰ দেশ ভাৰতবৰ্ষৰ কিছুমান গুৰুত্বপূৰ্ণ তথ্য লিপিবদ্ধ কৰা হৈছে। 'অসম' শীৰ্ষক তৃতীয় অধ্যায়ত শান্তনু কৌশিক বৰুৱাই আমাৰ ৰাজ্যখনৰ বিভিন্ন বিষয়ৰ বিস্তৃত তথ্য উপস্থাপন কৰিছে।

পঞ্চম অধ্যায়ত পৰিৱহন ব্যৱস্থাৰ বিৱৰ্তনমূলক ইতিহাস দাঙি ধৰিছে শান্তনু কৌশিক বৰুৱাই।

ষষ্ঠ অধ্যায়ত পৰিৱেশ আৰু সপ্তম অধ্যায়ত ক্ৰীড়াৰ সৈতে জড়িত তথ্যসমূহ অন্তৰ্ভুক্ত কৰিছে। প্ৰতিটো অধ্যায়তে শেহতীয়া তথ্য আৰু প্ৰয়োজনীয় চিত্ৰ সংযোজিত কৰি ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিবলৈ যত্ন কৰা হৈছে। গ্ৰন্থখনিয়ে অসমীয়া পাঠকসকলৰ বহুখিনি তথ্যভিত্তিক চাহিদা পূৰণ কৰিব। আমাৰ পুথিভঁৰালৰ Reference Stock ত থকা পুথিখন পঢ়ি আমাৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব।

## 3. কথা বৰেণ্য ১০০


কথা বৰেণ্য ১০০ হৈছে অসমৰ বৌদ্ধিক সাংস্কৃতিক জীৱনৰ কাণ্ডাৰী স্বৰূপ ব্যক্তিসকলৰ জীৱন আৰু কৃতিৰ বিতং তথ্য। অসমৰ সাহিত্য, শিল্পকলা, নাটক, চলচিত্ৰ, সংগীত আদি বিভিন্ন ক্ষেত্ৰৰ যিসকল কৃতী পুৰুষ-নাৰীৰ জীৱনজোৰা সাধনা আৰু সৃজনে আধুনিক অসমৰ সাহিত্য-সংস্কৃতিক সমৃদ্ধ আৰু বৰ্ণময় কৰি তুলিছে সেই বৰণীয় ব্যক্তিসকলৰ একোটাকৈ মনোগ্ৰাহী জীৱনালেখ্য আৰু কৃতিৰ চমু খতিয়ান দাঙি ধৰা হৈছে এই গ্ৰন্থখনিত।




এই ব্যক্তিসকলৰ লগতে আধুনিক অসমীয়া সাহিত্য-সংস্কৃতিৰ বিকাশ আৰু চৰিত্ৰ অধ্যয়ণৰ সহায়ক হোৱাকৈ সাহিত্য-সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত বিশিষ্ট বৰঙণি আগবঢ়োৱা ব্যক্তিসকলৰ একোখন তালিকা যুগুত কৰি আন প্ৰায় দুই শতাধিক ব্যক্তিৰ চমু জীৱন-বৃত্ত সংকলনখনত সন্নিৱিষ্ট কৰিছে।

কথা বৰেণ্য ১০০ ত লিখকে কুৰি শতিকাৰ আধুনিক অসমীয়া সাহিত্য-সংস্কৃতিৰ সামগ্ৰিক ছবিখনৰ সম্যক ধাৰণা এটা দিবলৈ চেষ্টা কৰি নিৰ্বাচিত ব্যক্তিসকলৰ বিষয়ে কেইবাটাও মূলত বিতংকৈ আলোচনা কৰিছে। গ্ৰন্থখনিত কমলাকান্ত ভট্টাচাৰ্য, সত্যনাথ বৰা, লক্ষ্মীনাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ আদিৰ দৰে ব্যক্তিক নিৰ্বাচিত কৰি তেখেতসকলৰ জীৱনৰ বিতং তথ্য লিপিবদ্ধ কৰিছে। এই মূল্যৱান গ্ৰন্থখনি পঢ়ি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে আমাৰ স্বনামধন্য ব্যক্তিসকলৰ মহান কৰ্মৰাজিৰ বিষয়ে অৱগত হ'ব। গতিকে তেওঁলোকে পুথিভঁৰালৰ পৰা গ্ৰন্থখনি সংগ্ৰহ কৰি পঢ়িব পাৰিব।

# ইমৰাণ শ্বাহ ৰচনাৱলী - ১




ইমৰাণ শ্বাহ - নামেই যাৰ পৰিচয়। সেই বহুমুখী প্ৰতিভা সম্পন্ন আই অসমীৰ সু-সন্তান ইমৰাণ শ্বাহক পাঠকবৃন্দক পুনৰ পৰিচয় কৰাই দিয়াৰ প্ৰয়োজনীয়তা সম্ভৱতঃ নাই। প্ৰায় ছয়টা দশক ধৰি নিজৰ সাহিত্য প্ৰতিভাৰে অসমীয়া সাহিত্যাকাশৰ উজ্বল নক্ষত্ৰ।

একাধাৰে উপন্যাস, গল্প, কবিতা, গীত, নাটক, ৰম্যৰচনা তথা গৱেষণামূলক ৰচনা আদিত নিজৰ অতুলনীয় প্ৰতিভাৰ প্ৰমাণ দাঙি ধৰিবলৈ সক্ষম হৈছে।

সাহিত্যৰ অন্যান্য প্ৰায় সকলো শাখাত সমানে বিচৰণ কৰা ইমৰাণ শ্বাহ অসমীয়া সাহিত্য বুৰঞ্জীত বিশেষভাৱে গল্পকাৰৰূপে জনপ্ৰিয়। অসমীয়া সাহিত্যৰ এই বিশিষ্ট কথাশিল্পীগৰাকীৰ সাহিত্যকৃতিসমূহ সংৰক্ষণ কৰাৰ উদ্দেশ্যে অতি সুন্দৰ আৰু মনমোগ্ধ ৰূপত "ইমৰাণ শ্বাহ ৰচনাৱলী - ১" শিৰোনামেৰে সম্পাদনা তথা প্ৰকাশ কৰি উলিয়াইছে ড০ কৃষ্ণকুমাৰ মিশ্ৰ তথা 'কথা প্ৰকাশনে'।

"ইমৰাণ শ্বাহ ৰচনাৱলী - ১" শীৰ্ষক গ্ৰন্থখন মুঠতে ছয়টা অধ্যায়ত বিভক্ত। প্ৰথম অধ্যায়ত শ্বাহদেৱৰ গল্প পুথি তথা কেইবাটাও অগ্ৰন্থিত নিৰ্বাচিত গল্প সংকলন কৰা হৈছে। দ্বিতীয় অধ্যায়ত সংকলিত কৰা হৈছে ইমৰাণ শ্বাহৰ দ্বাৰা ৰচিত গীত তথা ইশান দত্ত ছদ্মনামত ৰচিত কবিতাসমূহ। তৃতীয় অধ্যায়ত শ্বাহ চাহাবে ৰচনা কৰা ৮খন উপন্যাস সংযোজিত হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰতিবছৰে অনুষ্ঠিত কৰা ড০ লীলা গগৈ স্মাৰক বক্তৃতাৰ নৱম সংখ্যক বক্তৃতা প্ৰদান কৰিছিল কথাশিল্পী ইমৰাণ শ্বাহে। "অসমীয়া সংস্কৃতিলৈ মুছলম ানসকলৰ অৱদান" শীৰ্ষক বক্তৃতাটি চতুৰ্থ অধ্যায়ত সংকলিত হৈছে। পঞ্চম অধ্যায়ত ড০ কৃষ্ণকুমাৰ মিশ্ৰ আৰু দীপালী ভট্টাচাৰ্য্য বৰুৱাই ইম ৰাণ শ্বাহৰ সৈতে কৰা কথোপকথন দুটি সংকলিত হৈছে। সততে প্ৰচাৰ বিমুখ আৰু অসমীয়া সাহিত্যৰ মুকুটহীন সম্ৰাট ইমৰাণ শ্বাহৰ সাহিত্যৰাজিৰ সঠিক আলোচনাৰ সংখ্যা অতি তাকৰ। এইক্ষেত্ৰত ড০ প্ৰহ্লাদ কুমাৰ বৰুৱাদেৱে তেওঁৰ গ্ৰন্থ 'অসমীয়া চুটিগল্পৰ অধ্যয়ন'ত শ্বাহদেৱৰ গল্পৰ এটি নাতিদীৰ্ঘ আলোচনা আগবঢ়াইছে। সম্পাদক মিশ্ৰদেৱে এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই ষষ্ঠ অধ্যায়ত সংকলিত কৰিছে ইমৰাণ শ্বাহৰ জীৱন আৰু সাহিত্যকৰ্মৰ আলোচনামূলক প্ৰৱন্ধ।

এইখিনিতে উল্লেখযোগ্য যে সম্পাদকে 'আগকথা' শীৰ্ষৰে লিখা ৰচনাৱলীখনৰ পাতনি বা ভূমিকাখনো অত্যন্ত মনোগ্ৰাহী। অন্যহাতে 'মই মোৰ মুখামুখি' শীৰ্ষৰে নিজৰ ৰচনাৱলীত শ্বাহদেৱে নিজৰ সাহিত্য জীৱনৰ এক সহজ-সৰল, ৰসোত্তীৰ্ণ আৰু মেদহীন বৰ্ণনা আগব ঢ়াইছে। লগতে 'পৰিশিষ্ট' শীৰ্ষক শিতানত ইমৰাণ শ্বাহৰ জীৱনপঞ্জী, গ্ৰন্থপঞ্জী, শ্বাহৰ গ্ৰন্থসমূহত সন্নিৱিষ্ট পাতনি, আগকথা, প্ৰকাশৰ কথা আৰু এটি নিৰ্ঘন্ট সংকলিত হৈছে।

সঁচাকৈয়ে ইমৰাণ শ্বাহৰ অভিনৱ সৃষ্টিক সংৰক্ষণ কৰাৰ এয়া মহৎ চেষ্টা। উক্ত গ্ৰন্থখন মই নিজেও পঢ়িছোঁ আৰু আনকো পঢ়িবলৈ উদ্‌গনি দিওঁ। কিয়নো উক্তগ্ৰন্থখনে শ্বাহদেৱৰ ব্যক্তিগত, সাহিত্যিক জীৱন তথা সাহিত্যৰাজিৰ যথাৰ্থ জ্ঞান আহৰণ কৰাত পঢ়ুৱৈ সমাজত সহায় কৰিব। সাহিত্যৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অসমীয়া সাহিত্য পঢ়ুৱৈৰ বাবেও এই গ্ৰন্থখন এক অভিনৱ তথা অমূল্য গ্ৰন্থ।

দুলীয়াজান মহাবিদ্যালয় গ্ৰন্থাগাৰত সংৰক্ষিত গ্ৰন্থখনি আমাৰ ছাত্ৰ-ছাত্ৰী, বন্ধুসকলে পঢ়িব পাৰে।



- ইব্ৰাহিম আনশাৰি

তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

এখন ভাল কিতাপে এজন লোকৰ জ্ঞানৰ পৰিধি বিস্তাৰ কৰাই নহয়, তেওঁক সৌম্য ব্যক্তিত্বৰ অধিকাৰী কৰিও তুলিব পাৰে।

- এন ফ্ৰাংক

যিসকলে এখন উজ্জল বুদ্ধিদীপ্ত মুখৰ অধিকাৰী হ'ব খোজে তেওঁলোকৰ প্ৰধান কাম হ'ল- নিয়মিতভাৱে কিতাপ পঢ়াৰ অভ্যাস আয়ত্ব কৰা।

- লিন-য়ু-টাঙ (চীনা পণ্ডিত)

পেৰামেডিকেলৰ বিবিধ পাঠ্যক্ৰমসমূহ ঃ চিকিৎসা বিজ্ঞান আৰু ইয়াৰ লগত জড়িত বিভিন্ন পাঠ্যক্ৰম যেনে নাৰ্ছিং, অপ্টমেট্ৰি, ৰেডিঅ'গ্ৰাফী আদিক কোৱা হয় পেৰামেডিকেল।

## ১। নাৰ্ছিং ঃ

অসমৰ গুৱাহাটীত থকা আঞ্চলিক নাৰ্ছিং কলেজ, ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত নাৰ্ছিঙৰ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম পঢ়াৰ সুবিধা আছে।

অৰ্হতা ঃ 10+2 পৰ্য্যায়ৰ উচ্চতৰ মাধ্যমিক পৰীক্ষা বা সম পৰ্য্যায়ৰ পৰীক্ষাত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান আৰু ইংৰাজীসহ উত্তীৰ্ণ হ'ব লাগিব। বয়স ঃ ১৭-১৮ বছৰ। নামভৰ্তিৰ বাবে প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

যোগাযোগৰ ঠিকনা ঃ Regional College of Nursing Guwahati Medical College Campus, Bhangagarh, Guwahati - ৭৮১০৩২ or Director of Medical Education, Assam, Sixmile, Guwahati - ৭৮১০২২.

নাৰ্ছিং পাঠ্যক্ৰমৰ আন আন শিক্ষানুষ্ঠান ঃ

- Asian Institute of Nursing Education, J.B. Complex, Ganeshguri, R.G.B. Road.
- Down Town School of Nursing.
- Arya College of Nursing, Arya Hospital.
- Army College of Nursing.

## ২। অপ্টমেট্ৰি ঃ

অপ্টমেট্ৰিষ্টসকলে বিশেষভাৱে প্ৰশিক্ষণ গ্ৰহণ কৰি চকু পৰীক্ষা আৰু চকুৰ বাবে আৱশ্যকীয় ছশমা, লেন্স, কনটেক্ট লেন্স আদিৰ পৰীক্ষা কৰিব পাৰে। এই পাঠ্যক্ৰম গ্ৰহণ কৰি বিভিন্ন চকু চিকিৎসালয়, পলিক্লিনিক আদিত যোগ দিব পাৰি।

উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱাৰ পিছতে পঢ়িব পৰা অপ্টমেট্ৰিৰ পাঠ্যক্ৰম প্ৰদান কৰা শিক্ষানুষ্ঠানকেইটা হ'ল ঃ All India Institute of Medical Science, ইয়াত অপথালমিক টেক্‌নিকৰ তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম কৰিব পাৰি। এই পাঠ্যক্ৰম গ্ৰহণৰ বাবে উচ্চতৰ মাধ্যমিক স্তৰত পদাৰ্থ বিজ্ঞান, ৰসায়নিক বিজ্ঞান, জীৱ বিজ্ঞান আৰু ইংৰাজীত ন্যূনতম ৫০ শতাংশসহ উত্তীৰ্ণ হ'ব লাগিব।

যোগাযোগৰ ঠিকনা ঃ All India Institute of Medical Science, Ansari Nagar, New Delhi - ১১০-০২৯.

শংকৰ নেত্ৰালয় ঃ এই প্ৰতিষ্ঠানত অপ্টমেট্ৰিৰ স্নাতক পাঠ্যক্ৰম প্ৰদানৰ ব্যৱস্থা আছে। দৃষ্টিশক্তিৰ বাবে আৱশ্যকীয় নিৰ্দিষ্ট গ্লাছ, কনটেক্ট লেন্স ফিট কৰা, দৃষ্টিশক্তি পৰীক্ষা কৰা আদি চকু আৰু দৃষ্টিশক্তি বিষয়ক বিভিন্ন দিশ সামৰি শিক্ষা প্ৰদান কৰা হয়। অসমৰ গুৱাহাটীত থকা ইয়াৰ প্ৰতিষ্ঠানত অপ্টমেট্ৰিৰ বি এছ চি পাঠ্যক্ৰম প্ৰদান কৰা হয়।

শিক্ষাগত অৰ্হতা ঃ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞানসহ উচ্চতৰ মাধ্যমিক বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ। যোগাযোগৰ ঠিকনা ঃ Sankar Netralaya, Beltola, Guwahati.

## ৩। ৰেডিঅ'গ্ৰাফী (Radiography)

মানৱ দেহত ৰোগ নিৰ্ণয় বা ৰোগৰ অৱস্থিতি জানিবলৈ ৰেডিঅ'গ্ৰাফীৰ ব্যৱহাৰ কৰা হয়। ৰেডিঅ'গ্ৰাফিষ্টে এক্স-ৰে, আলট্ৰাচাউণ্ড, চিটি স্কেন, মেগনেটিং ইমেজিং এই ধৰণৰ কামৰ বাবে নিযুক্তি লাভ কৰে।

শিক্ষাগত অৰ্হতা ঃ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত উত্তীৰ্ণ। ৰেডিঅ'গ্ৰাফীৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পাছত সহজে বিভিন্ন চৰকাৰী হাস্পাতাল, লেবৰেটৰী, বেচৰকাৰী নাৰ্ছিং হোম আদিত নিযুক্তি লাভ কৰিব পাৰে।

যোগাযোগৰ ঠিকনা ঃ


- Guwahati Medical College, Bhangagarh, Guwahati - 781032.
- Regional Institute of Paramedical and Nursing Science, Izol.
- Jorhat Medical College, Jorhat.
- Silchar Medical College, Silchar.
- Down Town University, Guwahati.
- All India Institute of Medical Science, Ansari Nagar, New Delhi, 1110029.

প্ৰসংগ সূত্ৰ ঃ মাহেকীয়া কেৰিয়াৰ গাইড, Vol. 13 issue 12, মে', ২০১৮, পৃষ্ঠা ঃ ৮-১২

## STUDY ABROAD

আজিৰ বিশ্বায়নৰ যুগত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বিষয়ত শিক্ষাগ্ৰহণৰ বাবে দূৰ-দূৰণিৰ দেশ-বিদেশলৈ যাবলৈ ইচ্ছা কৰে কিন্তু তাৰবাবে কেনেদৰে আগবাঢ়িব লাগে সেই বিষয়ে নজনা বাবে বহুতে ম নৰ আশা মনতে ৰাখিব লগা হয়। এনেধৰণৰ কথা চিন্তা কৰিয়েই এই শিতানত আমি বিদেশত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ কেনেধৰণৰ প্ৰৱেশ পৰীক্ষাত বহিব লগা হয় তাৰ কিছু আভাস দিবৰ বাবে চেষ্টা কৰিছো। আজি ইয়াত আমি এনেধৰণৰ তিনিটা প্ৰৱেশ পৰীক্ষা GMAT, IELTS আৰু TOEFL ৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰিব বিচাৰিছো।





GMAT : (Graduate Management Admission Test) আমেৰিকাত মেনেজমেণ্ট প্ৰগ্ৰেম (এম. বি. এ. ইত্যাদিৰ) সমূহত পঢ়িবলৈ ইচ্ছা কৰাসকলে GMAT পৰীক্ষা দিব লগীয়া হয়। পৃথিৱীত প্ৰায় ২৫০০ মান অনুষ্ঠানে তেওঁলোকৰ নামভৰ্তিকৰণ প্ৰক্ৰিয়াত গঋএত ৰ পৰীক্ষাত পোৱা স্ক'ৰটোত গুৰুত্ব দিয়ে।GMAT পৰীক্ষাই পৰীক্ষাৰ্থীৰ বিশ্লেষণাত্মক, মৌখিক, পৰিম ানগত আৰু পঢ়িব পৰা ক্ষমতাৰ বুজ লয়। GMAT পৰীক্ষা চাৰিটা ভাগত ভাগ কৰা হৈছে।

১। বিশ্লেষণাত্মক লেখাৰ ক্ষমতা বা Analytical Writing Ability (AWA)

২। যুক্তি দক্ষতা বা Integrated Reasoning (IR)

৩। সংখ্যাত্মক যুক্তি দক্ষতা বা Quantitative Reasoning (QR) or Quantitative Section.

৪। মৌখিক যুক্তি দক্ষতা বা Verbal Reasoning (VR) or Verbal Section.

১। AWA হৈছে যিকোনো যুক্তি তৰ্কৰ ওপৰত ভিত্তি কৰি লিখা লিখনিৰ পৰীক্ষা। সময় দিয়ে ৩০ মিনিট।

২। IR পৰীক্ষাৰ যোগেদি পৰীক্ষাৰ্থীসকলক ৩০ মিনিটত ১২ টা প্ৰশ্নৰ উত্তৰ দিবলৈ দিয়া হয়।

৩। QR পৰীক্ষাত ৩১ টা প্ৰশ্নৰ বাবে সময় দিয়া হয় ৬২ মিনিট।

৪। VR ভাগটোত ৩৬ টা প্ৰশ্নৰ বাবে ৬৫ মিনিট সময় দিয়া হয়।

GMAT পৰীক্ষাৰ স্ক'ৰ ২০০ ৰ পৰা ৮০০ লৈকে হয়। বহুত কলেজত এই স্ক'ৰ ৭০০ ৰ ওপৰত হ'লেহে জলপানি প্ৰদান কৰা হয়। ১৬ দিনৰ ব্যৱধানত ১২ মাহত পাঁচবাৰকৈ এই পৰীক্ষাত বহিব পাৰি।

International English Language Testing System(IELTS): IELTS হৈছে ইংৰাজী ভাষা দক্ষতাৰ বুজ লোৱাৰ আয়োজিত এক আন্তৰ্জাতিক পৰীক্ষা। অষ্ট্ৰেলিয়া, কানাডা, ইউৰোপ আৰু আমেৰিকাৰ কেইবাখনো অনুষ্ঠানে এই পৰীক্ষাৰ স্বীকৃতি দিয়ে IELTS. পৰীক্ষা দুটা ভাগত বিভক্ত; একাডেমিক আৰু জেনেৰেল ট্ৰেইনিং। বিদেশত অধ্যয়ন কৰিব খোজা শিক্ষাৰ্থীসকলে একাডেমিক IELTS পৰীক্ষাত অৱতীৰ্ণ হ'ব লালে আৰু যিসকলে বিদেশলৈ চাকৰি কৰিবলৈ যাব খোজে তেওঁলোকে জেনেৰেল IELTS পৰীক্ষা দিব লাগে। IELTS ফলাফল সমূহৰ ম্যাদ দুবছৰ। এই পৰীক্ষাত বাছ বা ফেইলৰ সলনি পৰীক্ষাৰ চাৰিটা ভাগৰ (Listening, Writing, Speaking and reading) বাবে বেণ্ড স্ক'ৰ দিয়া হয়। এই বেণ্ড স্ক'ৰ ০-ৰ পৰা ৯ লৈকে হয়। বেছিভাগ শিক্ষানুষ্ঠানেই তেওঁলোকৰ ক'ৰ্চ অনুযায়ী নিজাববীয়া বেণ্ড স্ক'ৰ নিৰ্ধাৰিত কৰি থয় আৰু সেই বেণ্ড স্ক'ৰেই আৱেদনকাৰীৰ আৱেদন কৰিব পৰা যোগ্যতাৰ মানৰ মাপকাঠী হিচাপে কাম কৰে।

পৰীক্ষাৰ সবিশেষঃ

Listening ঃ ৪০ টা প্ৰশ্নৰ বাবে ৩০ মিনিট সময় দিয়া হয় আৰু লগতে উত্তৰ বহীলৈ উত্তৰসমূহ স্থানান্তৰিত কৰিবৰ বাবে ১০ মিনিট অধিক সময় দিয়া হয়।

Writing : এক ঘন্টা।

Speaking : ১১ মিনিটৰ পৰা ১৪ মিনিট।

Reading : এক ঘন্টা।

IELTS পৰীক্ষাৰ গুৰুত্ব বাঢ়ি যোৱাৰ লগে লগে বেণ্ড স্ক'ৰটো ভাল হোৱাটো আৱশ্যক হৈ পৰিছে। বহুতো মহাবিদ্যালয় বিশ্ববিদ্যালয়ত ৬-৬.৫তকৈ কম বেণ্ড স্ক'ৰ হ'লে আৱেদন পত্ৰখন গ্ৰহণ যোগ্য হোৱাৰ আশা বেছি নাথাকে। প্ৰতিমাহে চাৰিবাৰকৈ কিছুমান নিৰ্ধাৰিত চহৰত IELTS পৰীক্ষা পতা হয়।

TOEFL (Test of English as a Foreign Language). ঃ ইংৰাজী ভাষাৰ দক্ষতাৰ বুজ লোৱাটো এই পৰীক্ষাৰ উদ্দেশ্য। আমেৰিকা আৰু কানাডাৰ শিক্ষানুষ্ঠানবিলাকত TOEFL বেছিকৈ প্ৰচলিত। প্ৰাইভেট নন্ প্ৰফিট আৰ্গনোইজেশ্যন Educational Testing Service(ETS) এই পৰীক্ষাৰ নিৰীক্ষণ কৰে আৰু TOEFL তেওঁলোকৰ ট্ৰেডমাৰ্ক স্বৰূপ। এই পৰীক্ষাত পৰীক্ষাৰ্থীয়ে পোৱা স্ক'ৰৰ ম্যাদ দুবছৰ। IELTSৰ দৰে TOEFL পৰীক্ষাকো Listening, Writing, Speaking and reading এই চাৰিটা ভাগত বিভক্ত কৰা হৈছে।

এই পৰীক্ষাসমূহৰ খৰচ পাতিৰ বিষয়ে তেওঁলোকৰ নিজা ৱেবছাইটত দিয়া থাকে।

প্ৰসংগ-সূত্ৰঃ

শিল্পী ভূঞা গোস্বামী

দৈনিক জনমভূমি

জানুৱাৰী ১০,২০১৯

# প্ৰতিষ্ঠাকালৰে পৰা বৰ্ত্তমানলৈকে দুলীয়াজান মহাবিদ্যালয় গ্ৰন্থাগাৰৰ এটি চমু অৱলোকন।

দুলীয়াজান মহাবিদ্যালয়ৰ জন্মলগ্নতে (১৯৬৯) মহাবিদ্যালয়ৰ হৃদপিণ্ড স্বৰূপ গ্ৰন্থাগাৰটিও এটি মাত্ৰ কোঠালীতে আৰম্ভ কৰা হৈছিল। প্ৰথম অৱস্থাত ৰাইজৰ দান বৰঙণিৰে আৰম্ভ হোৱা গ্ৰন্থাগাৰটিয়ে পিছলৈ ইউ জি. চি. গ্ৰান্ট (UGC Grant), অসম গভৰ্নমেন্ট গ্ৰান্ট আদিৰ সহায়ত এটি পূৰ্ণ পৰ্য্যায়ৰ গ্ৰন্থাগাৰলৈ ৰূপান্তৰিত হৈ এই বছৰত সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে। এই সুদীৰ্ঘ সময়ত বহুজনৰ শ্ৰম, ত্যাগ, সাধনাৰ প্ৰতিভূ হৈ গ্ৰন্থাগাৰটিয়ে মহাবিদ্যালয়ৰ তথা ওচৰচুবুৰীয়া পঢ়ুৱৈসলক সেৱা আগবঢ়াই আহিছে।

পুথিভঁৰালটিৰ অতি চালুকীয়া অৱস্থাতে ০১-১০-১৯৭৯ তাৰিখে স্বৰ্গীয় শিৱকুমাৰ বৰগোহাঁইদেৱে গ্ৰন্থাগাৰিক ৰূপে যোগদান কৰিছিল। ০১-০৪-১৯৮১ তাৰিখে শ্ৰীযুতা মালাৰাণী বুঢ়াগোহাঁই বাইদেউৱে গ্ৰন্থাগাৰৰ সহায়ক আৰু স্বৰ্গীয় কুমুদ শইকীয়াদেৱে গ্ৰন্থাগাৰ পৰিচাৰক ৰূপে যোগদান কৰিছিল।

তেখেতসকলে পুথিভঁৰালটিৰ দায়িত্বভাৰ লৈ অশেষ যত্নৰে এটা কোঠালিতে এটি পূৰ্ণ পৰ্য্যায়ৰ গ্ৰন্থাগাৰলৈ ৰূপান্তৰ কৰি পঢ়ুৱৈ সকলক পঢ়া-শুনাৰ সুবিধা দিবলৈ যত্ন কৰিছিল। তেখেতসকলৰ এই আশাশুধীয়া চেষ্টাৰ ফলতে পুথিভঁৰালটি আজিৰ এই পৰ্য্যায়ত উপনীত হোৱাত যথেষ্ট সহায় কৰিছে। বৰগোহাঁইদেৱে সফলতাৰে ১৯ বছৰীয়া কৰ্ম জীৱনৰ সামৰণি মাৰি ১৯৯৮ চনৰ মে'ত অৱসৰ গ্ৰহণ কৰিছিল।

বৰগোহাঁইদেৱৰ অৱসৰৰ পিছত মালাৰাণী বুঢ়াগোহাঁই বাইদেউৱে সম্পূৰ্ণ দুটা বছৰ (১৯৯৮-২০০০) গ্ৰন্থাগাৰটিৰ দায়িত্ব গ্ৰহণ কৰি অতি সুচাৰুৰূপে পৰিচালনা কৰিছিল আৰু একোঠলীয়া পুথিভঁৰালটিক অইল ইণ্ডিয়াৰ আৰ্থিক সাহায্যত নতুনকৈ নিৰ্মাণ কৰা গ্ৰন্থাগাৰ গৃহটিলৈ স্থানান্তৰ কৰি এক নতুন মাত্ৰা প্ৰদান কৰিছিল। অতি দায়িত্বশীলভাৱে তেখেতে নিজৰ কৰ্ত্তব্য পালন কৰি ২০১২ চনৰ নৱেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰে।

স্বৰ্গীয় কুমুদ শইকীয়াদেৱৰ ০৫-০৫-১৯৯৭ তাৰিখে অকাল বিয়োগ হোৱাত তেখেতৰ কৰ্মজীৱনৰো সেইদিনাৰ পৰাই সামৰণি পৰে।

২১-১১-২০০০ তাৰিখে মন্দিৰা চুতীয়াই গ্ৰন্থাগাৰিক ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰি বৰ্তমানলৈকে গ্ৰন্থাগাৰটিৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰি আছে।

গ্ৰন্থাগাৰ পৰিচাৰক হিচাপে শ্ৰীমতী দীপা গোহাঁই ১৯৯৬ চনত, শ্ৰীমতী শান্তনা বৰগোহাঁই ২০০৩ চনত, শ্ৰী অজয় চন্দ্ৰ দে ২০১৫ চনত আৰু শ্ৰী মনিষ ঢেকীয়াল ফুকনে ২০১৮ চনত যোগদান কৰি বৰ্তমানলৈকে কাৰ্যনিৰ্বাহ কৰি আছে। গ্ৰন্থাগাৰটিৰ সেৱাসমূহ আধুনিকীকৰণ আৰু খৰতকীয়াকৈ পৰ্য্যাপ্ত সেৱা আগবঢ়াবৰ বাবে ২০০৮ চনত Software for University Library (SOUL I.0) ব্যৱহাৰ কৰি অট'মেছন কৰা হয়। ২০১৫ চনত এইটো SOUL 2.0 লৈ উন্নীত কৰা হয়। গ্ৰন্থাগাৰৰ সকলো কিতাপ পত্ৰ Dewey Decimal Classification Scheme, 22nd Ed and 19th Ed. অনুসৰি শ্ৰেণীভুক্ত কৰি Anglo American Cataloguing Role-II (AACR-II) অনুসৰি Cataloguing কৰা হয়। পঢ়ুৱৈসকলক বিভিন্ন ই-জাৰ্নেল আৰু কিতাপৰ যোগান ধৰিবলৈ ২০১১ চনৰ পৰা National Library and Information Services Infrastructure for Scholary Content, Centre Gandhinagar, Gujarat, India ৰ সভ্যপদ গ্ৰহন কৰা হৈছে। গ্ৰন্থাগাৰটি আৰু পঢ়ুৱৈ সকলৰ মাজত যোগসূত্ৰ ৰাখিবৰ বাবে সময়ে সময়ে গ্ৰন্থাগাৰিক দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন বিষয়ত প্ৰতিযোগিতা আৰু প্ৰত্যেক বছৰে গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। ইয়াৰ ওপৰি ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থাগাৰ সম্বন্ধীয় নতুন বিষয়সমূহৰ লগত পৰিচয় কৰাই দিবলৈ সময়ে সময়ে সজাগতা সভাৰ আয়োজন কৰা হয়।

দুলীয়াজান মহাবিদ্যালয় গ্ৰন্থাগাৰে ২০১৮ চনৰ পৰা প্ৰাথমিক পৰ্য্যায়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিতাপ পঢ়াৰ অভ্যাস গঢ়িবলৈ পঢ়ুৱৈ সজাগতা সভাৰ আহ্বান কৰিবলৈ আৰম্ভ কৰিছে। এই উপলক্ষ্যে ০৬-১০-২০১৮ তাৰিখে নলনীপথাৰৰ বিবেকানন্দ স্মৃতি প্ৰাথমিক বিদ্যালয়ত প্ৰথমটি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়।

গ্ৰন্থাগাৰৰ সকলো কাম-কাজৰ নিৰীক্ষণ বা তদাৰক কৰিবৰ বাবে এখন গ্ৰন্থাগাৰ কমিটি আছে। কমিটিৰ সিদ্ধান্ত মৰ্মে সকলো আঁচনি গ্ৰহণ কৰা হয়।

ভৱিষ্যতে গ্ৰন্থাগাৰটিৰ মান উন্নত কৰিবৰ বাবে গ্ৰন্থাগাৰ কমিটিৰ সিদ্ধান্তমৰ্মে বহুতো পৰিকল্পনা হাতত লোৱা হৈছে তাৰ ভিতৰত Digital Library, গ্ৰন্থাগাৰগৃহ সম্প্ৰসাৰণ আদি প্ৰধান।


বৰ্ত্তমান গ্ৰন্থাগাৰত থকা কিতাপ পত্ৰৰ সংখ্যাৰ বিষয়ে এই News Letter ৰ ১২ নম্বৰ পৃষ্ঠাত সবিশেষ উল্লেখ কৰা হৈছে।


মন্দিৰা চুতীয়া
গ্ৰন্থাগাৰিক, দুলীয়াজান মহাবিদ্যালয়।

দুলীয়াজান মহাবিদ্যালয়ত কৰ্মৰত অধ্যাপক/ অধ্যাপিকা সকলে লিখা আৰু গ্ৰন্থাগাৰত সংৰক্ষিত কিতাপসমূহৰ প্ৰতিচ্ছবি তলত দিয়া হ'ল।

দুলীয়াজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক /অধ্যাপিকা সকলে লিখা আৰু গ্ৰন্থাগাৰত সংৰক্ষিত কিতাপসমূহৰ প্ৰতিচ্ছবি তলত দিয়া হ'ল।



























































## Library Collection and User's Statistics 2018-2019




Library user and collection is the main elements of the any library. A user of the library, is a person, who visits to browse current books and journals through a collection of the latest arrivals in the library. The collection building, processing, stocking and display of materials, organising and managing all library services and other related activities must be entirely geared to use and the library users.

Quantitative and qualitative data about library services, library use and library users are essential for revealing and confirming the outstanding value that libraries provide.

Library statistics can be considered an important tool to measure all the quantitative and qualitative data about library services, library use and library users. Considering all these factor, Duliajan College library use library statistics to measure the library collection and user in every year.

In the year 2018-19, library statistical data as follows :

Total collection of the library =22175 nos
Total document used = 4,491 nos
Total library member = 1,879 nos
Total library user = 6,152 nos

## PRESENT LIBRARY COMMITTEE MEMBERS & STAFF




**President :**
*Mr. Jyoti Prasad Chetia*
**Convenor :**
*Mrs. Mondira Chutia*
**Members :**
*Dr. Likhan Ch. Borah*
*Dr. Hemanta Das*
*Mrs. Jyotimali Mahanta*
*Prof. Parag Saikia*

## LIBRARY STAFF



**Librarian :**
*Mrs. Mondira Chutia*
**Library Assistant :**
*Sri Tutul Gogoi*
**Library Attendant :**
*Mrs. Deepa Gohain*
*Miss Santana Borgohain*
*Sri Ajoy Ch. Dey*
*Mr. Manish Dhekiyal Phukan*
*Miss Nabanita Sharma*

*To build up a library is to create a life. It's never just a random collection of books.*
*- Carlos Maria Dominguez*

## Learning resources of the Library

(a) Books (Text & Reference) collection = 22175 nos
(b) Rare book collection = 621 nos
(c) Current Journal & Magazine = 31 nos

1. Indian Jr. of Marketing
2. Indian Jr. of Finance
3. University News
4. Competition Affairs
5. Resonance
6. Indian Jr. of Eco. & Research
7. Proff. Jr. of Lib. & Information Technology
8. Economic & Political Weekly
9. Science Reporter
10. Management Research
11. Indian Jr. of Pure & Applied Chemistry
12. Indian Jr. of Physics
13. Ecology Environment & Conservation
14. India Today
15. Career Guide
16. Front line
17. Competition Refresher
18. Prantik
19. Gariyashi
20. Desh
21. Chintan - Srijan
22. The Heritage
23. Bijnan Jeuti
24. Chirantan Chintan
25. Progyajyoti
26. Research Process
27. Natun Ninad
28. Pratiyogita Darpan
29. Pramana - Jr. of Physics
30. Indian Jr. of Computer Sc. & Applications
31. Jr. of Life Sciences

(d) E-Resource from N-List

1. E-Journal (Full Text) = $6237^+$ nos
2. E-Books = $3135809^+$ nos

(e) Journal & Magazine (Back Vol. Binding) = 500 nos
(f) Daily Newspaper = 7 nos

1. Dainik Janambhumi
2. Niyomiya Barta
3. The Assam Tribune
4. The Telegraph
5. Purvanchal Prahari
6. Anandabazar Patrika
7. The Sentinel

